[২০০৮] ১১ এছ.চি.আৰ.১০১৬

টি.আৰ.বোপালন আৰু অন্যান্য

বনাম

তামিলনাডু হাউছিং বোৰ্ড আৰু অন্যান্য.

(দেৱানী আপিল নং ৪৯২৬/২০০৮)

৭ আগষ্ট,২০০৮

[ন্যায়াধীশ- আল্টামাছ কবিৰ আৰু মাৰ্কাণ্ডে কাটজু]

ভূমি অধিগ্ৰহণ আইন,১৮৯৪--ধাৰা ৪-অধিগ্ৰহণ কাৰ্য্যবিধি-উষ্চ ন্যায়ালয়ৰ দ্বাৰা ধাৰা ৪ ৰ অধিসূচনা বাতিল কৰা -প্ৰভাৱ-আপিলকাৰী-ভূমিৰ মালিকসকলে পিছত গম পাইছিল যে তেওঁলোকৰ মালিকানাধীন ভূমিৰ পৰিমাণ লেখ আৱেদনত ভুলকৈ উল্লেখ কৰা হৈছিল — সংশোধনীৰ বাবে দাখিল কৰা আবেদন নাকচ-আবেদনকাৰীসকলে তেওঁলোকৰ মালিকানাধীন অংশত নিৰ্মাণকাৰ্যৰ বাবে 'আপত্তিবিহীন প্ৰমাণপত্ৰ' বিচাৰে — কৰ্তৃপক্ষই অনুমোদন অস্বীকাৰ কৰাৰ কাৰণ হিচাপে দৰ্শাইছে যে উষ্চ ন্যায়ালয়ৰ নিৰ্দেশত উল্লেখ কৰা ভূমিৰ পৰিমাণলৈকেহে আপিলকাৰীসকল সকাহ পোৱাৰ যোগ্য -ৰায়ঃ ন্যায়সংগত নহয় - কৰ্তৃপক্ষই লেখ আৱেদনত উল্লেখ কৰা ভূমিৰ ক্ষেত্ৰত 'এন অ' চি' ভুলকৈ সীমাবদ্ধ কৰিছিল-যিহেতু সমগ্ৰ ভূমি অধিগ্ৰহণৰ কাৰ্যকলাপৰ পৰা মুক্ত আছিল, সেয়েহে আপিলকাৰীসকলৰ তেওঁলোকৰ মালিকানাধীন ভূমিৰ বাবে ‘এন অ চি’ লাভ কৰাৰ অধিকাৰ আছিল-ৰায়/আদেশ-উপস্থাপনগত ত্ৰুটিৰ পৰিপ্ৰেক্ষিতত টাইপোগ্ৰাফিক ত্ৰুটি সংশোধন।

আপিলকাৰীসকল জৰীপ নম্বৰ ১৮৮/৪-ত ০.৮১ একৰ জোখৰ মাটিৰ মালিক আছিল, যি অধিগ্ৰহণৰ কাৰ্যক্ৰমৰ অধীন আছিল। আপিলকাৰীসকলে অধিগ্ৰহণ প্ৰক্ৰিয়াটোৰ প্ৰত্যাহ্বান জনাই দাখিল কৰা লেখ আৱেদনখন অনুমোদন কৰা হৈছিল। ইয়াৰ পিছত আপিলকাৰীসকলে গম পালে যে অসাৱধানতাবশতঃ ভূমিৰ পৰিমাণ ০.৮১ একৰৰ পৰিৱৰ্তে ০.৮১ চেণ্ট হিচাপে লেখ আৱেদনত দেখুওৱা হৈছিল আৰু ভুলটো সংশোধন কৰাৰ বাবে আৱেদন দাখিল কৰিছিল। উক্ত আৱেদনখন উষ্চ ন্যায়ালয়ে নাকচ কৰিছিল।

আপিলকাৰীসকলে নিৰ্মাণকাৰ্যৰ বাবে জৰীপ নম্বৰ ১৮৮/৪ ত অন্তৰ্ভুক্ত ভূমিৰ সন্দৰ্ভত "আপত্তিবিহীন প্ৰমাণপত্ৰ" প্ৰদানৰ বাবে গৃহ নিৰ্মাণ পৰিষদলৈ আৱেদন জনাইছিল। সেয়া নাকচ কৰা হৈছিল। পূৰ্বৰ লেখ আৱেদনত দিয়া নিৰ্দেশৰ পৰিপ্ৰেক্ষিতত উপৰোক্ত ভূমিৰ সন্দৰ্ভত "আপত্তিবিহীন প্ৰমাণপত্ৰ" জাৰি কৰাৰ উদ্দেশ্যে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিবলৈ আপিলকাৰীসকলে উচ্চ ন্যায়ালয়ৰ আগত এক নতুন লেখ আৱেদন দাখিল কৰিছিল। আপিলকাৰীসকলৰ নিৱেদন বিবেচনা কৰিবলৈ উচ্চ ন্যায়ালয়ে প্ৰতিবাদীপক্ষক নিৰ্দেশ দিয়ে।

প্ৰতিবাদীপক্ষ নং ১-এ কৰা এক আপিল নাকচ কৰা হৈছিল। যিহেতু বিষয়টো আৰু আগবঢ়োৱা হোৱা নাছিল, সেয়ে পক্ষসমূহৰ মাজত উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ চূড়ান্ত হৈ পৰিছিল। ইয়াৰ পিছত, গৃহ নিৰ্মাণ পৰিষদে আৱেদনকাৰীসকলক কেৱল ০.৮১ চেণ্টৰ বাবে "আপত্তিবিহীন প্ৰমাণপত্ৰ' প্ৰদান কৰাৰ প্ৰস্তাৱ দিছিল।

জৰীপ নং ১৮৮/৪-ত অন্তৰ্ভুক্ত সমগ্ৰ ০.৮১ একৰৰ ক্ষেত্ৰত আপিলকাৰীসকলক "আপত্তিবিহীন প্ৰমাণপত্ৰ" জাৰী কৰাৰ বাবে প্ৰতিবাদীপক্ষ নং ১-ক নিৰ্দেশ দিবলৈ আপিলকাৰীসকলে এক নতুন লেখ আৱেদন দাখিল কৰিছিল যাক অনুমতি দিয়া হৈছিল।

গৃহ নিৰ্মাণ পৰিষদে আপিল দাখিল কৰিছিল, যাক উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে অনুমতি দিছিল, আৰু এইবুলি ৰায় প্ৰদান কৰে যে আপিলকাৰীসকল কেৱল একক ন্যায়াধীশৰ নিৰ্দেশত উল্লেখ কৰা ভূমিৰ পৰিমাণলৈকেহে সকাহ পোৱাৰ অধিকাৰী। খণ্ড বিচাৰপীঠে লগতে কয় যে উক্ত নিৰ্দেশটো সংশোধন কৰাৰ বাবে আপিলকাৰীসকলৰ আৱেদন নাকচ কৰাটো উপেক্ষা কৰিব নোৱাৰি যিটোৱে চূড়ান্ত পৰ্যায় লাভ কৰিছিল কিয়নো ইয়াৰ বিৰুদ্ধে কোনো আৱেদন কৰা হোৱা নাছিল। সেয়েহে বৰ্তমান এই আপিল দাখিল কৰা হৈছে।

**আপিলৰ অনুমতি প্ৰদান কৰি আদালতে আগবঢ়োৱা ৰায় --(১)** জৰীপ নং ১৮৮/৪ -ত ০.৮১ একৰ ভূমি অন্তৰ্ভুক্ত হোৱাৰ সন্দৰ্ভত কোনো বিতৰ্ক নাই। জৰীপ নং ১৮৮/৪ -ত অন্তৰ্ভুক্ত ০.৮১ একৰ ভূমি সন্দৰ্ভত অধিগ্ৰহণ আইন, ১৮৯৪ ৰ ধাৰা ৪(১) ৰ অধীনৰ অধিসূচনাক প্ৰত্যাহ্বান জনাই আপিলকাৰীসকলে দাখিল কৰা লেখ আৱেদনত সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰতো কোনো বিতৰ্ক নাই, উক্ত জাননীখন বাতিল কৰা হৈছিল। যেতিয়া পক্ষবোৰে সমগ্ৰ

জৰীপ নং ১৮৮/4 ৰ সন্দৰ্ভত অধিসূচনা বাতিল কৰা মৌলিক তথ্যটোৰ ওপৰত বিতৰ্ক কৰা নাই, তেনেক্ষেত্ৰত লেখ আৱেদনকাৰী/আপিলকাৰীসকলে 0.৮১ চেন্ট সন্দৰ্ভত সকাহ বিচৰা হেতুকে আপত্তি দৰ্শোৱাৰ থল নাই। যদিও লেখ আবেদনত 0.৮১ চেন্টৰ সম্পৰ্কত সকাহ বিচৰা কথা বিশেষভাবে উল্লেখ কৰা হৈছে, তথাপিও এনে স্পষ্ট ভুল থকা স্বত্তেও আপীলকাৰীৰ প্ৰাৰ্থনা মঞ্জুৰ কৰা উচিত। [দফা ১৬, ১৭] [১০২৩ ডি,ই,এফ,জি]

(২) যেতিয়া জৰীপ নং ১৮৮/4 সন্দৰ্ভত 0.৮১ একৰেৰে গঠিত সমগ্ৰ ভূমিৰ ক্ষেত্ৰত ভূমি অধিগ্ৰহণ আইন ৪(১) ধাৰাৰ অধীনৰ অধিসূচনা বাতিল কৰা হৈছিল, তেনে ক্ষেত্ৰত প্ৰতিবাদীপক্ষ নং ১ ৰ বাবে কেৱল লেখ আৱেদনত উল্লেখ কৰা পৰিমাণত "আপত্তিবিহীন প্ৰমাণপত্ৰ" ৰ প্ৰদান সীমিত ৰখাৰ কোনো কাৰণ নাছিল। যিহেতু সমগ্ৰ ভূমি অধিগ্ৰহণ প্ৰক্ৰিয়াৰ পৰা মুক্ত কৰা হৈছিল, সেয়েহে আপিলকাৰীসকলৰ ইয়াৰ সন্দৰ্ভত "আপত্তিবিহীন প্ৰমাণপত্ৰ" ৰ বাবে আবেদন কৰাৰ অধিকাৰ আছিল, কিন্তু প্ৰতিবাদীপক্ষ নং ১ -এ স্বজ্ঞাত কাৰণত কেৱল লেখ আৱেদনত উল্লেখ কৰা ভূমিৰ পৰিমাণৰ ভিতৰত, নিজকে সীমাবদ্ধ কৰি ৰখাৰ সিদ্ধান্ত লৈছিল, যিটো স্পষ্টভাৱে এক অনিচ্ছাকৃত ত্ৰুটি আছিল ।

[দফা ১৮] [১০২৪ চি,ডি,ই]

**দেৱানী আপিল ক্ষেত্ৰাধিকাৰঃ** দেৱানী আপিল নং ৪৯২৬/২০০৮

লেখ আপিল নং ২০০৫/৫৪৭ আৰু W.A.M.P. নং ১০১৯/২০০৫ ত মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ ৩১/১/২০০৭ তাৰিখৰ চূড়ান্ত ৰায়ৰ পৰা

আপিলকাৰীসকলৰ বাবে- চি. এ. সুন্দৰম, ৰাজীৱ দত্ত, এছ. ৰমেশ, আৰ. ভেংকটৰমন, ৰোহিনীমুছা, ধৰ্মেন্দ্ৰ কুমাৰ সিন্হা, জাফৰ ইনায়াত, অভিষেক গুপ্তা, এ.ভি.অৰুণ আৰু কে. উমা শংকৰ।

প্ৰতিবাদীপক্ষৰ বাবে- ভি. কৃষ্ণমূৰ্তি, এ.কে. গাংগুলি, টি. হৰিশ কুমাৰ।

ন্যায়াধীশ আল্টামাছ কবিৰে আদালতৰ ৰায় প্ৰদান কৰে।

(১) অনুমতি প্ৰদান কৰা হৈছে ।

(২)ইয়াত আপিলকাৰীসকলে চেংগালপাট্টু জিলাৰ অন্তৰ্গত তিৰুৱনমিয়ুৰ গাঁৱত(বৰ্তমান চেন্নাই জিলাৰ মাইলাপুৰ ত্ৰিপ্লিকেন তালুকৰ অংশ) জৰীপ নং ১৮৮/৪ ত অন্তৰ্ভুক্ত ০.৮১ একৰ মাটিৰ মালিক বুলি দাবী কৰিছে।উক্ত ভূমি 'ভূমি অধিগ্ৰহণ আইন,১৮৯৪"(পৰৱৰ্তী পৰ্যায়ত ভূ.অ. আইন হিচাপে উল্লেখ কৰা হৈছে)ৰ ৪ নং ধাৰাৰ অধীনত এক অধিসূচনাৰ বিষয় আছিল। তামিলনাডু চৰকাৰে ১৯/২/১৯৭৫ তাৰিখে চৰকাৰী ৰাজপত্ৰত প্ৰকাশ কৰা G.O.M.S ৩৬/হাউছিং অনুসৰি এয়া জাৰি কৰা হয়। আপিলকাৰীসকলৰ ক্ষেত্ৰত ২৮/৩/১৯৮৩ তাৰিখে তেওঁলোকৰ নামত পঞ্জীয়ন কৰা উক্ত ভূমিৰ সন্দৰ্ভত এক ৰায় প্ৰদান কৰা হৈছিল।

(৩) ১৯৯১ চনত আপিলকাৰীসকলে ১৬২০৭/১৯৯১ নং লেখ আৱেদন দাখিলকৰণৰে ১৮৮/৪ নং জৰীপৰ অন্তৰ্ভুক্ত ০.৮১ একৰ মাটিৰ অধিগ্ৰহণ প্ৰক্ৰিয়াক প্ৰত্যাহ্বান জনাইছিল। আপিলকাৰীসকলৰ মতে, উক্ত লেখ আৱেদন অনুমোদন কৰা হৈছিল আৰু উপৰোক্ত গাঁৱৰ জৰীপ নং ১৮৮/৪ৰ সন্দৰ্ভত ভূ.অ. আইনৰ ৪(১) নং ধাৰাৰ অধীনত দিয়া জাননী বাতিল কৰা হৈছিল। এইটো প্ৰতীয়মান হয় যে ইয়াৰ পিছত আপিলকাৰীসকলে এইটো উপলব্ধি কৰিছিল যে অনিচ্ছাকৃতভাৱে ভূমিৰ পৰিমাণ লেখ আবেদনত 0.৮১একৰৰ পৰিৱৰ্তে 0.৮১চেন্ট হিচাপে দেখুওৱা হৈছিল আৰু তাৰ পিছত উচ্চ ন্যায়ালয়ত এই ভুলটো সংশোধন কৰিবলৈ আৰু 0.৮১ চেন্টৰ পৰা 0.৮১ একৰলৈ সংশোধন কৰিবলৈ আৱেদন কৰা হৈছিল যিহেতু এই সন্দৰ্ভত কোনো বিবাদ নাছিল আৰু তামিলনাডু গৃহ নিৰ্মাণ পৰিষদ আৰু তামিলনাডু ৰাজ্য উভয়ে সঠিক পৰিমাণ উল্লেখ কৰিছিল। সংশোধনীৰ বাবে দাখিল কৰা উক্ত আৱেদনখন উচ্চ ন্যায়ালয়ে ২৩/২/১৯৯৯ তাৰিখে অযুক্তিকৰ ভাবে বিলম্ব কৰা হৈছিল বুলি যুক্তি দৰ্শাই নাকচ কৰিছিল।

(৪) পৰৱৰ্তী সময়ত,আপিলকাৰীসকলে তামিলনাডু ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদত জৰীপ নং ১৮৮/৪-ৰ অধীনত থকা ভূমিত নিৰ্মাণকাৰ্য কৰিবলৈ "আপত্তিবিহীন প্ৰমাণপত্ৰ" জাৰি কৰাৰ বাবে আৱেদন জনাইছিল। বিভাগীয় নথিৰ পৰা দেখা গৈছে যে ভূমিৰ স্থিতি সম্পৰ্কে তদন্ত চলোৱা হৈছিল আৰু জিলা ৰাজহ বিষয়া, ভূমি অধিগ্ৰহণ, তামিলনাডু হাউছিং বোৰ্ড আঁচনিৰ প্ৰতিবেদনত প্ৰকাশ পাইছিল যে আপিলকাৰীসকলৰ লেখ আৱেদন অনুমোদনকাৰী উচ্চ ন্যায়ালয়ৰ ৰায়দানৰ সঠিকতা সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰিবলৈ চৰকাৰী

শাসনযন্ত্ৰই দ্বিধাবোধ কৰিছিল। ওপৰৰ তথ্যৰ আধাৰত, আপিলকাৰীসকলে তামিলনাডু ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদলৈ জৰীপ নং ১৮৮/৪-ত অন্তৰ্ভুক্ত ভূমিত নিৰ্মাণকাৰ্যৰ উদ্দেশ্যে "আপত্তিবিহীন প্ৰমাণপত্ৰ" প্ৰদানৰ বাবে আবেদন কৰা যেন প্ৰতীয়মান হৈছে । এইয়া নাকচ হোৱাৰ পৰিপ্ৰক্ষিতত, লেখ আৱেদনত দিয়া নিৰ্দেশ সাপেক্ষে উপৰোক্ত ভূমিৰ সন্দৰ্ভত "আপত্তিবিহীন প্ৰমাণপত্ৰ" জাৰি কৰাৰ উদ্দেশ্যে সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিবলৈ আপিলকাৰীসকলে উচ্চ ন্যায়ালয়ত ১০/১/২০০০ তাৰিখে এক নতুন লেখ আৱেদন দাখিল কৰিছিল। আপিলকাৰীসকলৰ নিৱেদন বিবেচনা কৰিবলৈ আৰু আইন সংগত নিৰ্দেশনা জাৰি কৰিবলৈ উচ্চ ন্যায়ালয়ে প্ৰতিবাদীপক্ষক নিৰ্দেশ দিয়ে।

(৫) প্ৰতিবাদীপক্ষ নং ১-এ বিদ্বান এজনীয়া বিচাৰপীঠৰ আদেশৰ বিৰুদ্ধে কৰা এক আপিল দাখিল কৰোতে বিলম্ব হোৱা বাবে ১০ এপ্ৰিল,২০০৩ -ত নাকচ কৰা হৈছিল। যিহেতু বিষয়টোৰ সন্দৰ্ভত আৰু কোনো পদক্ষেপ লোৱা হোৱা নাছিল, সেয়েহে পক্ষসমূহৰ মাজত এজনীয়া বিচাৰপীঠৰ নিৰ্দেশ চূড়ান্ত হৈ পৰিছিল।প্ৰতিবাদীপক্ষ নং ২-এ কৰা এক আপিলো নাকচ কৰা হৈছিল। ইয়াৰ পিছত, তামিলনাডু ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদে ২০০৪ চনৰ ১৩ ফেব্ৰুৱাৰীত আপিলকাৰীসকলক কেৱল ০.৮১ চেণ্টৰ বাবে "আপত্তিবিহীন প্ৰমাণপত্ৰ' প্ৰদান কৰাৰ প্ৰস্তাৱ দিছিল।

(৬) তিৰুৱনমিয়ুৰৰ ১৮৮/৪ নং জৰীপৰ অন্তৰ্ভুক্ত সমগ্ৰ ০.৮১ একৰ ভূমিৰ ক্ষেত্ৰত আপিলকাৰীসকলক "আপত্তিবিহীন প্ৰমাণপত্ৰ" জাৰি কৰিবৰ বাবে প্ৰতিবাদীপক্ষ নং ১-ক নিৰ্দেশনা দিয়াৰ বাবে ২০০৪ চনৰ ৫ এপ্ৰিলত আপিলকাৰীসকলে ৯৪৮৮/২০০৪ নম্বৰৰ এখন নতুন লেখ আৱেদন দাখিল কৰিবলৈ বাধ্য হৈছিল।আপিলকাৰীসকলক সঠিক ন্যায় প্ৰদান কৰাৰ ক্ষেত্ৰত যাতে আইনৰ নীতি- নিয়মসমূহে বাধাৰ সৃষ্টি কৰিব নোৱাৰে, তাৰ বাবে ২০০৪ চনৰ ১৬ আগষ্টত লেখ আৱেদনখন মঞ্জুৰ কৰা হৈছিল।

(৭) তামিলনাডু ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদে বিদ্বান এজনীয়া বিচাৰপীঠৰ ৰায় আৰু নিৰ্দেশৰ বিৰুদ্ধে কৰা ৫৪৭/২০০৫নম্বৰৰ লেখ আবেদনত ২০০৭ চনৰ ৩১ জানুৱাৰীত খণ্ড বিচাৰপীঠে অনুমোদন প্ৰদান কৰে আৰু অন্যান্য বিষয়ৰ লগতে এইবুলি ৰায় দিয়ে যে আপিলকাৰীসকলে কেৱল এজনীয়া বিচাৰপীঠৰ নিৰ্দেশত উল্লেখ কৰা ভূমিৰ পৰিমাণলৈকেহে

সকাহ পোৱাৰ অধিকাৰী আৰু পক্ষসমূহৰ মাজত কেৱল এটা পক্ষৰ বাবেহে ন্যায় প্ৰজোয্য নহয়।খণ্ড বিচাৰপীঠে লগতে কয় যে উক্ত নিৰ্দেশটো সংশোধন কৰাৰ বাবে আপিলকাৰীসকলৰ আৱেদন নাকচ কৰাটো উপেক্ষা কৰিব নোৱাৰি কাৰণ আদেশটো চূড়ান্ত বুলি গ্ৰহণ কৰা হৈছিল, কিয়নো ইয়াৰ বিৰুদ্ধে কোনো আৱেদন কৰা হোৱা নাছিল।

(৮) আপিলকাৰীসকলৰ হৈ জ্যেষ্ঠ অধিবক্তা সুন্দৰমে উপস্থাপন কৰিছিল যে উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে আপিলকাৰীসকলৰ গোচৰটো ইয়াৰ প্ৰকৃত দৃষ্টিকোণৰ পৰা বিবেচনা কৰাত ব্যৰ্থ হৈছে আৰু এইটো তথ্যৰ দ্বাৰা প্ৰভাৱিত হৈছে যে বিদ্বান এজনীয়া বিচাৰপীঠৰ ৰায় এনে এক ৰায়ৰ আধাৰত দিয়া হৈছিল যিটো প্ৰত্যাখ্যান কৰা হৈছিল। উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে এই নীতি অনুসৰণ কৰিছিল যে যদি কোনো ৰায় বাতিল কৰা সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি দিয়া হয়, তেন্তে সেই বাতিল কৰা ৰায়ৰ ভিত্তিত লোৱা যিকোনো সিদ্ধান্ত অবৈধ হ'ব। সুন্দৰমে অৱগত কৰে যে উক্ত নীতি বৰ্তমানৰ গোচৰটোৰ ক্ষেত্ৰত প্ৰযোজ্য নহয় যিহেতু খণ্ড বিচাৰপীঠে নিজেই অভিমত ব্যক্ত কৰিছে যে পূৰ্বৰ গোচৰৰ ৰায় সংশ্লিষ্ট পক্ষৰ মাজত চূড়ান্ত হৈ পৰে যিহেতু সেই ৰায়ৰ বিৰুদ্ধে কৰা আপিল খাৰিজ কৰা হয়।

(৯) সুন্দৰমে আহ্বান জনায় যে বৰ্তমানৰ গোচৰটোত উত্তৰৰ প্ৰয়োজন থকা একমাত্ৰ প্ৰশ্নটো হ'ল পূৰ্বৰ কাৰ্যব্যৱস্থাত জৰীপ নং ১৮৮/৪ সন্দৰ্ভৰ ৪(১) নং ধাৰাৰ অধিসূচনাখন বাতিল কৰা তথ্যটোৰ প্ৰতি লক্ষ্য ৰাখি, আপিলকাৰীসকলে বিচৰা 'আপত্তিবিহীন প্ৰমাণপত্ৰ' খন জৰীপ নম্বৰত অন্তৰ্ভুক্ত সমগ্ৰ ভূমিৰ সলনি কেৱল ০.৮১ চেণ্টত সীমাবদ্ধ কৰিব পাৰি নেকি । এইবুলি উপস্থাপন কৰা হৈছিল যে সকলো পক্ষৰ বাবে বোধগম্য বিষয়টো এয়ে যে জৰীপ নং ১৮৮/৪ ত অন্তৰ্ভুক্ত সমগ্ৰ ভূমিৰ সন্দৰ্ভত "আপত্তিবিহীন প্ৰমাণপত্ৰ" বিচৰা হৈছিল আৰু সমগ্ৰ ভূমিৰ বাবে এনে "আপত্তিবিহীন প্ৰমাণপত্ৰ" জাৰি কৰাৰ বাবে তামিলনাডু ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদক নিৰ্দেশনা প্ৰদানৰ বাবে লেখ আৱেদন দাখিল কৰা হৈছিল, যদিও ভুলবশতঃ লেখ আৱেদনত থকা পৰিমাণটো ০.৮১ একৰৰ ঠাইত ০.৮১চেণ্ট বুলি উল্লেখ কৰা হৈছিল। লগতে উপস্থাপন কৰা হৈছিল যে হাউচিং বোৰ্ডৰ হৈ দাখিল কৰা পালটা শপতনামাৰ পৰাও একেই কথা স্পষ্ট হ'ব।

(১০) শ্ৰী সুন্দৰমে ১৯৭৫ চনৰ ২৬ মাৰ্চ তাৰিখৰ তামিলনাডু চৰকাৰৰ ৰাজপত্ৰৰ এটা

প্ৰতিলিপিৰ উল্লেখ কৰিছিল য'ত তামিলনাডু গৃহ নিৰ্মাণ পৰিষদৰ উদ্দেশ্যে অধিগ্ৰহণ কৰা ভূমিৰ সবিশেষ আছিল য’ত ১৮৮/৪ নং জৰীপত অন্তৰ্ভুক্ত ভূমি ০.৮১ একৰ হিচাপে উল্লেখ আছে ।

(১১) উপৰোক্ত উপস্থাপনৰ উপৰিও, শ্ৰী সুন্দৰমে আঙুলিয়াই দিছিল যে আপিলকাৰীসকলে দাখিল কৰা পূৰ্বৰ লেখ আবেদনত, বিদ্বান এজনীয়া বিচাৰপীঠে ১৮৮/৪ নং জৰীপ সন্দৰ্ভত ভূমি অধিগ্ৰহণ আইনৰ ৪(১) নং ধাৰাৰ অধীনত অধিসূচনাৰ প্ৰয়োগ সম্পূৰ্ণভাৱে বাতিল কৰিছিল। ১৮৮/৪ নং জৰীপৰ সমগ্ৰ ভূমি অধিগ্ৰহণ প্ৰক্ৰিয়াৰ পৰা মুক্ত হোৱাৰ পৰিপ্ৰেক্ষিতত প্ৰতিবাদীপক্ষ নং ১লৈ ’আপত্তিবিহীন প্ৰমাণপত্ৰ' লাভৰ আৱেদন কৰাৰ বাবে আপিলকাৰীসকল মুক্ত আছিল আৰু এই ”আপত্তিবিহীন প্ৰমাণপত্ৰ" কেৱল লেখ আৱেদনত উল্লেখ কৰা পৰিমাণত অনুমোদন কৰাৰ অধিকাৰ প্ৰতিবাদীপক্ষ নং ১ ৰ নাছিল।

(১২) যুক্তি প্ৰদৰ্শন কৰা হৈছিল যে পক্ষসমূহৰ মাজত ন্যায় প্ৰতিষ্ঠা কৰাৰ বাবে বিষয়টোৰ বাস্তৱিক দৃষ্টিভংগী গ্ৰহণ কৰা বিদ্বান একক ন্যায়াধীশৰ ৰায় সলনি কৰি উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে ভুল কৰিছিল।

(১৩) তামিলনাডু ৰাজ্যিক গৃহ নিৰ্মাণ বোৰ্ডৰ হৈ বিদ্বান জ্যেষ্ঠ অধিবক্তা শ্ৰী কৃষ্ণ মূৰ্তিয়ে খণ্ড বিচাৰপীঠে গ্ৰহণ কৰা দৃষ্টিভংগীৰ ন্যায্যতা প্ৰদান কৰিবলৈ চেষ্টা কৰি কয় যে ইয়াত আপিলকাৰীসকলে দাখিল কৰা লেখ আৱেদনত কৰা অনুৰোধ মঞ্জুৰ কৰা হৈছে আৰু সেয়েহে এই সন্দৰ্ভত তেওঁলোকৰ কোনো অভিযোগ থাকিব নোৱাৰে। দৰাচলতে, তামিলনাডু ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদে আপিলকাৰীসকলৰ লেখ আৱেদনত অনুমতি দিয়া 0.৮১চেণ্ট ভূমিৰ ক্ষেত্ৰত "আপত্তিবিহীন প্ৰমাণপত্ৰ" প্ৰদান কৰিবলৈ সদায়ে ইচ্ছুক আছিল।

(১৪) শ্ৰী কৃষ্ণ মূৰ্তিয়ে উচ্চ ন্যায়ালয়ৰ যুক্তি দোহাৰি এইবুলি আভাস দিছিল যে এজন ব্যক্তিৰ ক্ষেত্ৰত যিটো বিষয় প্ৰযোজ্য সেইয়া আনৰ ক্ষেত্ৰটো প্ৰযোজ্য হ’ব লাগে (What is sauce for the goose is sauce for the gander)। তেওঁ যুক্তি দিছিল যে ১৮৮/৪ নং জৰীপ সন্দৰ্ভত ৪(১) নং ধাৰাৰ অধিসূচনা বাতিল কৰাৰ বাবে দিয়া বিদ্বান এজনীয়া বিচাৰপীঠৰ নিৰ্দেশৰ বিৰুদ্ধে প্ৰতিবাদীপক্ষই কৰা আপিল বিলম্ব হোৱাৰ আধাৰত নাকচ হোৱাৰ পাছত বিষয়টোৰ সন্দৰ্ভত কোনো পদক্ষেপ লোৱা হোৱা নাছিল।একেদৰে, যেতিয়া

লেখ আৱেদনত  উল্লেখ কৰা ভূমিৰ পৰিমাণ সংশোধনৰ বাবে আপিলকাৰীসকলে কৰা আবেদন নাকচ কৰা হৈছিল, তেতিয়াও আপিলকাৰীসকলে উক্ত নির্দেশৰ বিৰুদ্ধে  কোনো পদক্ষেপ লোৱা নাছিল। অন্য অৰ্থত ক‘বলৈ গ’লে, প্ৰতিবাদীপক্ষৰ ক্ষেত্ৰত হোৱাৰ দৰে আপিলকাৰীসকলৰ ক্ষেত্ৰতো একে ঘটিছিল । লেখ আৱেদনত ভূমিৰ পৰিমাণ সংশোধনৰ বাবে দাখিল কৰা আবেদন নাকচ কৰা বিদ্বান এজনীয়া বিচাৰপীঠৰ নিৰ্দেশটোও চূড়ান্ত আছিল আৰু সেয়েহে, আপিলকাৰীসকলে পৰোক্ষভাবে একেধৰণৰ সকাহ লাভৰ বাবে অনুৰোধ কৰিবলৈ অধিকাৰপ্ৰাপ্ত নাছিল। শ্ৰী কৃষ্ণ মূৰ্তিয়ে কৈছিল যে ভূমিৰ জৰীপ নম্বৰ ১৮৮/৪ ত অন্তৰ্ভুক্ত ভূমিৰ পৰিমাণ ০.৮১ একৰ আছিল। কিন্তু তেওঁৰ মতে, উপযুক্ত প্ৰমাণ অবিহনে, এইটো মানি ল'ব নোৱাৰি যে কেৱল আপিলকাৰীসকল  জৰীপ নম্বৰ ১৮৮/৪-ত অন্তৰ্ভুক্ত সমগ্ৰ ভূমিৰ অধিকাৰী ব্যক্তি আছিল। এইটো প্ৰকাশ কৰা হৈছিল যে এনে পৰিস্থিতিত, খণ্ড বিচাৰপীঠে উপৰোক্ত কাৰণবোৰৰ বাবে এজনীয়া বিচাৰপীঠৰ নিৰ্দেশটো সম্পূৰ্ণৰূপে বাতিল কৰা কাৰ্য্য সম্পূৰ্ণ শুদ্ধ আছিল।

(১৫) সংশ্লিষ্ট পক্ষসমূহৰ বিদ্বান অধিবক্তাৰ বক্তব্য শুনাৰ পিছত, আমি ইয়াত প্ৰতিবাদীপক্ষ নং ১ -এ দাখিল কৰা লেখ আৱেদনৰ অনুমোদন দিয়াৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠৰ  যুক্তিৰ সৈতে একমত হ'ব নোৱাৰোঁ।

(১৬) জৰীপ নং ১৮৮/৪ -ত ০.৮১ একৰ ভূমি অন্তৰ্ভুক্ত হোৱাৰ সন্দৰ্ভত কোনো বিতৰ্ক নাই।  জৰীপ নং  ১৮৮/৪ -ত অন্তৰ্ভুক্ত ০.৮১ একৰ ভূমি সন্দৰ্ভত ভূমি অধিগ্ৰহণ আইন, ১৮৯৪ ৰ ধাৰা ৪(১) ৰ অধীনৰ অধিসূচনাক প্ৰত্যাহ্বান জনাই আপিলকাৰীসকলে দাখিল কৰা লেখ আৱেদনত সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰতো কোনো বিতৰ্ক নাই , উক্ত জাননীখন বাতিল কৰা হৈছিল।

(১৭) উক্ত পৰিস্থিতিত ইয়াত ”আপত্তিবিহীন প্ৰমাণপত্ৰ" প্ৰদানৰ বাবে  আপিলকাৰীসকলে দাখিল কৰা লেখ আৱেদনখন বিদ্বান এজনীয়া বিচাৰপীঠৰ দ্বাৰা বিবেচনা কৰা হৈছিল। যেতিয়া পক্ষবোৰে সমগ্ৰ জৰীপ নং ১৮৮/৪ ৰ সন্দৰ্ভত অধিসূচনা বাতিল কৰা মৌলিক তথ্যটোৰ ওপৰত বিতৰ্ক কৰা নাই, তেনেক্ষেত্ৰত লেখ আৱেদনকাৰী/আপিলকাৰীসকলে ০.৮১ চেন্ট সন্দৰ্ভত সকাহ বিচৰা হেতুকে তেওঁলোকৰ এনে প্ৰাৰ্থনাথে অব্যাহত ৰাখিব লাগিব

বুলি কাৰিকৰী আপত্তি দৰ্শোৱাৰ কোনো যুক্তি থাকিব নোৱাৰে, যদিওবা আপাতভাৱে এক ভুল কৰা হৈছিল। জৰীপ নং ১৮৮/৪ সন্দৰ্ভত ৪(১) নং ধাৰাৰ অধিসূচনা বাতিল কৰা উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ সন্দৰ্ভত প্ৰতিবাদীপক্ষৰ অধিক পদক্ষেপ গ্ৰহণত ব্যৰ্থতা আৰু লেখ আৱেদনত  উল্লেখ কৰা ভূমিৰ পৰিমাণ সংশোধনৰ বাবে আপিলকাৰীসকলে কৰা লেখ আবেদন নাকচৰ সন্দৰ্ভত আপিলকাৰীসকলৰ অধিক পদক্ষেপ গ্ৰহণৰ ব্যৰ্থতাৰ মাজত তুলনা কৰা হৈছিল। আমাৰ দৃষ্টিত, এনে তুলনা সুপ্ৰতিষ্ঠিত নহয়। প্ৰথম বিষয়ৰ আপিলত এজনীয়া বিচাৰপীঠৰ সিদ্ধান্তৰ বৈধতাৰ বিষয়ে প্ৰশ্ন উত্থাপন কৰা হৈছিল, দ্বিতীয় বিষয়ত, বিদ্বান এজনীয়া বিচাৰপীঠৰ সিদ্ধান্তৰ বৈধতাক প্ৰত্যাহ্বান জনোৱা হোৱা নাছিল, কিন্তু লেখ আবেদনৰ পৰিমাণগত এক ত্ৰুটি সংশোধনৰ বাবে আবেদন কৰা হৈছিল।

(১৮) আমাৰ দৃষ্টিত, ওপৰত উল্লেখ কৰা দুয়োটা ঘটনা ভিন্ন আৰু দুয়োটা ঘটনাৰ মাজত তুলনা কৰিব নোৱাৰি। তদুপৰি, শ্ৰী সুন্দৰমৰ যুক্তিৰ অন্য প্ৰভাৱশালী দিশটো এয়ে যে যেতিয়া ০.৮১ একৰেৰে গঠিত সমগ্ৰ ভূমিৰ ক্ষেত্ৰত ভূমি অধিগ্ৰহণ আইনৰ ধাৰা ৪(১) ৰ অধীনত অধিসূচনা বাতিল কৰা হৈছিল,তেনেক্ষেত্ৰত প্ৰতিবাদীপক্ষ নং ১ -এ লেখ আৱেদনত উল্লেখ কৰা পৰিমাণত "আপত্তিবিহীন প্ৰমাণপত্ৰ" ৰ অনুমোদন সীমাবদ্ধ কৰাটোত কোনো যুক্তি নাই ।যিহেতু সমগ্ৰ ভূমি অধিগ্ৰহণ প্ৰক্ৰিয়াৰ পৰা মুক্ত কৰা হৈছিল, সেয়েহে আপিলকাৰীসকলৰ ইয়াৰ সন্দৰ্ভত "আপত্তিবিহীন প্ৰমাণপত্ৰ" ৰ বাবে আবেদন কৰাৰ অধিকাৰ আছিল, কিন্তু প্ৰতিবাদীপক্ষ নং ১ -এ স্বজ্ঞাত কাৰণত কেৱল লেখ আৱেদনত  উল্লেখ কৰা ভূমিৰ পৰিমাণৰ ভিতৰত, নিজকে সীমাবদ্ধ কৰি ৰখাৰ সিদ্ধান্ত লৈছিল, যিটো স্পষ্টভাৱে এক অনিচ্ছাকৃত ত্ৰুটি আছিল ।

(১৯) এনে পৰিস্থিতিত, আমি খণ্ড বিচাৰপীঠৰ যুক্তিৰ সৈতে একমত হ'ব নোৱাৰোঁ ,সেয়ে ইয়াক বাতিল কৰা হ'ল । সেইবাবে, আমি বিদ্বান এজনীয়া বিচাৰপীঠৰ সিদ্ধান্ত বাহাল ৰাখো যাৰ দ্বাৰা লেখ আৱেদন  কৰা হৈছিল।

(২০) সেইমৰ্মে বৰ্তমানৰ আপিলটো মঞ্জুৰ কৰা হ'ল, কিন্তু খৰচৰ সন্দৰ্ভত কোনো নিৰ্দেশ নাথাকিব।

আপিল মঞ্জুৰ কৰা হ’ল ।

অনুবাদক: প্ৰবীণ হাজৰিকা, অধিবক্তা, গৌহাটী উচ্চ ন্যায়ালয়

পৰীক্ষক: মৃণাল কুমাৰ ভট্টাচাৰ্য্য, জ্যেষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়